# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date : 19**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::::

১। বৰ্তমান চৰকাৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ পথত দেখা দিয়া সকলো বাধা দূৰ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰতিগৰাকী মহিলাক আশ্বাস দিছে।

২। প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছে সদায় সংস্কাৰৰ ক্ষেত্ৰত নিষ্ক্ৰিয় মনোভাব গ্ৰহণ কৰি আহিছে আৰু সংস্কাৰৰ ক্ষেত্ৰত বিলম্ব ঘটোৱাই দলটোৰ কৰ্মসংস্কৃতি বুলি অভিযোগ তুলিছে।

৩। আমেৰিকাই ইৰানৰ বন্দৰসমূহ অবৰোধ কৰি থকালৈকে হৰমুজ প্ৰণালী বন্ধ হৈ থাকিব বুলি ইৰানে প্ৰকাশ কৰিছে।

৪। এছিয়ান গেমছত পদক বিজয়ী শিৰা নৰোৱাল আৰু শ্বটগান শ্বুটাৰ ছাবিৰা হেৰিছে কাইৰোত হ'বলগীয়া আই এছ এছ এফ জুনিয়ৰ বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাত ভাৰতীয় অভিযানৰ নেতৃত্ব বহন কৰিব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ১০ ৰানত পৰাস্ত কৰে।

০০০০

বৰ্তমান চৰকাৰে মহিলাৰ বাবে আসন সংৰক্ষণৰ পথত দেখা দিয়া সকলো বাধা দূৰ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰতিগৰাকী মহিলাক আশ্বাস দিছে। প্ৰধানমন্ত্ৰীয়ে যোৱা নিশা ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত কয়, যে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিৰোধিতা কৰা দলসমূহে সংসদ আৰু বিধানসভাত মহিলাৰসকলৰ বৰ্ধিত অংশগ্ৰহণ প্ৰতিহত কৰিব নোৱাৰে। তেওঁ কয়, যে বিজেপি আৰু এন ডি এ চৰকাৰ মহিলা সৱলীকৰণৰ সংকল্পত অটল হৈ আছে। নাৰী শক্তি বন্দন অধিনিয়মৰ সৈতে জড়িত বিধেয়ক কেইখন সদনত গৃহীত হোৱাৰ বাবে প্ৰয়োজনীয় ৬৬ শতাংশ ভোট লাভ কৰাত ব্যৰ্থ হৈছে যদিও চৰকাৰৰ সৈতে দেশৰ ১০০ শতাংশ মহিলাৰ আশীৰ্বাদ আছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশৰ স্বাৰ্থ তেওঁৰ চৰকাৰৰ বাবে সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয়। ঐকান্তিক প্ৰয়াস সত্বেও নাৰী শক্তি বন্দন অধিনিয়মৰ সংশোধন সম্পৰ্কীয় বিধেয়ক কেইখন গৃহীত কৰাত চৰকাৰ ব্যৰ্থ হোৱা বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ বাবে সকলো মাতৃ-ভগ্নীৰ ওচৰত ক্ষমা বিচাৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে একাংশ ব্যক্তিয়ে দলকেই সকলো বুলি গণ্য কৰিলে মহিলাৰ সৱলীকৰণ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত ব্যাঘাত জন্মে। তেওঁ কয়, যে মহিলাৰ স্বাৰ্থৰ সৈতে জড়িত এই বিধেয়ক কেইখন সদনত গৃহীত নোহোৱাত কংগ্ৰেছ, ডি এম কে, এছ পি আৰু টি এম চিৰ সাংসদসকলে যিদৰে হাত চাপৰি বজাইছিল আৰু মহিলাসকলক অধিকাৰৰ পৰা বঞ্চিত কৰি মেজত চপৰিয়াই আনন্দ প্ৰকাশ

কৰিছিল সেয়া সঁচাকৈ বেদনাদায়ক। প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ এই আচৰণক মহিলাৰ মৰ্যাদা আৰু আত্মসন্মানৰ ওপৰত আঘাত বুলি অভিহিত কৰে।

নাৰী শক্তি বন্দন অধিনিয়ম সময়ৰ আহ্বান বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এয়া উত্তৰ, দক্ষিণ, পূব, পশ্চিমসহ দেশৰ সকলো অঞ্চলত মহিলাসকলৰ সন্তুলিত সৱলীকৰণ সুনিশ্চিত কৰাৰ প্ৰয়াস আছিল। তেওঁ কয়, যে সংসদত আনুপাতিক প্ৰতিনিধিত্ব বৃদ্ধি কৰি সৰু-বৰ প্ৰতিখন ৰাজ্যৰ কণ্ঠ সবল কৰাৰ উদ্দেশ্যে বিধেয়ক কেইখন যুগুত কৰা হৈছিল যদিও কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলসমূহে এই ঐকান্তিক প্ৰচেষ্টা মখিমুৰ কৰিলে।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়, যে পৰহি সদনত নাৰী শক্তি বন্দন অধিনিয়মৰ বিৰোধিতা কৰা দলসমূহে প্ৰকৃততে মহিলাসকলৰ শক্তিক অৱজ্ঞা কৰিছে। তেওঁ কয়, যে বিৰোধী দলসমূহে মহিলাৰ বাবে আসন সংৰক্ষণৰ বিৰোধিতা কৰি যি পাপ কৰিছে সেই পাপৰ পৰিনাম ভূগিব লাগিব। শ্ৰী মোদীয়ে কয়, যে কংগ্ৰেছে সমষ্টিৰ সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াই কেইখন ৰাজ্যৰ ক্ষতি কৰিব বুলি অপপ্ৰচাৰ চলাইছিল যদিও চৰকাৰে প্ৰথমৰে পৰা কোনো ৰাজ্যৰ অংশীদাৰিত্ব কম নহয় আৰু ৰাজ্যসমূহৰ আসন আনুপাতিক ভাবে বাঢ়িব বুলি স্পষ্ট কৰি দিছিল।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়, যে নাকী শক্তি বন্দন সংশোধনী বিধেয়কৰ মূল উদ্দেশ্য হৈছে ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পৰা মহিলাসকলক তেওঁলোকৰ দীৰ্ঘ দিনিয়া অধিকাৰ প্ৰদান কৰা। তেওঁ বিধেয়ক কেইখনক একবিংশ শতিকাৰ ভাৰতীয় মহিলাসকলৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ, তেওঁলোকক ডেউকা প্ৰদানৰ আৰু তেওঁলোকৰ পথত থকা বাধা দূৰ কৰাৰ যুগান্তকাৰী প্ৰচেষ্টা আখ্যা দিয়ে। শ্ৰী মোদীয়ে কয়, যে এয়া স্পষ্ট অভিপ্ৰায় আৰু সততাৰে দেশৰ ৫০ শতাংশ জনসাধাৰণক তেওঁলোকৰ উচিত অংশীদাৰিত্ব আৰু প্ৰতিনিধিত্ব প্ৰদানৰ বাবে চলোৱা প্ৰচেষ্টা আছিল। কংগ্ৰেছে বিধেয়ক কেইখনৰ বিৰোধিতা কৰি নিজকে সংস্কাৰ বিৰোধী দলৰূপে প্ৰমাণিত কৰা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে কংগ্ৰেছে সদায় সংস্কাৰৰ ক্ষেত্ৰত নিষ্ক্ৰিয় মনোভাব গ্ৰহণ কৰি আহিছে আৰু সংস্কাৰৰ ক্ষেত্ৰত বিলম্ব ঘটোৱা, বাধা আৰোপ কৰা আৰু মনোযোগ অন্যফালে ঢাল খুওৱাই দলটোৰ কৰ্মসংস্কৃতি বুলি অভিযোগ তোলে।

০০০০

আমেৰিকাই ইৰানৰ বন্দৰসমূহ অবৰোধ কৰি থকালৈকে হৰমুজ প্ৰণালী বন্ধ হৈ থাকিব বুলি ইৰানে প্ৰকাশ কৰিছে। ইৰানৰ ইছলামিক ৰিভল্যুচনাৰী গাৰ্ড ক'ৰে আমেৰিকাৰ দ্বাৰা অব্যাহত থকা যুদ্ধ বিৰতিৰ চুক্তি ভংগ কৰা বুলি অভিহিত কৰি হৰমুজ প্ৰণালীৰ ওচৰ চাপি অহা যিকোনো জাহাজক শত্ৰু বুলি গণ্য কৰা হ'ব আৰু ইয়াক লক্ষ্য কৰি গুলী চলোৱা হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, কালি হৰমুজ প্ৰণালী মুকলি হোৱাৰ পাছত শেহতীয়াভাৱে ইৰানে এই কথা প্ৰকাশ কৰিছে। যুদ্ধ বিৰতি বাহাল থকা সত্বেও হৰমুজ প্ৰণালীক কেন্দ্ৰ কৰি উত্তেজনা অব্যাহত আছে আৰু এই উত্তেজনা ৰোধ কৰাৰ বাবে কূটনৈতিক প্ৰচেষ্টা চলি আছে।

০০০০

দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লী জিয়ে মায়ুঙে আজি ভাৰত ভ্ৰমণলৈ আহিব। তেওঁৰ সৈতে দেশখনৰ প্ৰথমগৰাকী মহিলা কিম হিয়ে কুয়ুং আৰু মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, ব্যৱসায়িক নেতা তথা উচ্চ পৰ্যায়ৰ ভালেমান প্ৰতিনিধিও আহিব। এয়া হ'ব ৰাষ্ট্ৰপতি লীৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই ভ্ৰমণকালত ৰাষ্ট্ৰপতি লীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বাৰ্তালাপত মিলিত হ'ব। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, কৃত্ৰিম বুদ্ধিমত্ত, ছেমিকণ্ডাক্টৰ,

জটিল আৰু অত্যাৱশ্যকীয় প্ৰযুক্তি, জাহাজ নিৰ্মাণ, সাংস্কৃতিক বিনিময় আদি বিভিন্ন আলোচনাৰ লগতে দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত মত বিনিময় কৰিব। দুয়োগৰাকী নেতাই আঞ্চলিক আৰু গোলকীয় বিষয়সমূহতো মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি লীৰ সন্মানাৰ্থে অভ্যৰ্থনাৰো আয়োজন কৰিব।

দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদি মুৰ্মুকো সাক্ষাৎ কৰিব।

০০০০

ভাৰতে হৰমুজ প্ৰণালীত কালি ভাৰতীয় ধবজা বহনকাৰী দুখন জাহাজক লক্ষ্য কৰি হোৱা গুলীচালনাৰ ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কালি সন্ধিয়া নতুন দিল্লীত ইৰানৰ ৰাষ্ট্ৰদূত ডঃ মহম্মদ ফটহলীৰ সৈতে হোৱা বৈঠকত এই ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰে। ব্যৱসায়িক জাহাজ আৰু নাবিকসকলৰ সুৰক্ষাৰ বিষয়ে উল্লেখ কৰি শ্ৰী মিশ্ৰিয়ে কয়, যে ইৰানে পূৰ্বতেও ভাৰত অভিমুখী কেইবাখনো জাহাজক নিৰাপদে অহা-যোৱাৰ সুবিধা প্ৰদান কৰিছে। ব্যৱসায়িক জাহাজক লক্ষ্য কৰি গুলীচালনাৰ ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি বিদেশ সচিবগৰাকীয়ে ইৰানৰ ৰাষ্ট্ৰদূতগৰাকীক দেশখনৰ কৰ্তৃপক্ষক ভাৰতৰ মতামতৰ বিষয়ে অৱগত কৰিবলৈ আৰু ভাৰত অভিমুখী জাহাজসমূহক হৰমুজ প্ৰণালীৰে আহ-যাহ কৰাৰ সুবিধা প্ৰদানৰ প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰিবলৈ আহ্বান জনায়।

০০০০

কাইৰোত আজিৰে পৰা হ'বলগীয়া আই এছ এছ এফ জুনিয়ৰ বিশ্বকাপ প্ৰতিযোগিতাৰ ভাৰতৰ ৭১ জনীয়া দলটোক এছিয়ান গেমছত পদক বিজয়ী শিৰা নৰোৱাল আৰু শ্বটগান শ্বুটাৰ ছাবিৰা হেৰিছে নেতৃত্ব দিব। দলটোত অভিনৱ শ্ব'কো অন্তৰ্ভুক্ত কৰা হৈছে। ২০২৩ ৰ হাংজো এছিয়ান গেমছত পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত শিৰা নৰোৱালে অৰ্জুন সিং শ্ৰীমা আৰু অলিম্পিক পদক বিজয়ী সৰবজ্যোৎ সিঙৰ সৈতে সোণৰ পদক লাভ কৰিছিল। এছিয়ান জুনিয়ৰ প্ৰতিযোগিতাত পুৰুষৰ ১০ মিটাৰ ৰাইফল প্ৰতিযোগিতাৰ শাখাত বিজয়ী অভিনৱ শ্ব'ও এই দলটোত থাকিব।

২৫ খন ৰাষ্ট্ৰৰ ২৮৪ গৰাকী এথলীটে অংশগ্ৰহণ কৰিবলগীয়া কাইৰোৰ এই প্ৰতিযোগিতাত ভাৰতীয় দলটোত আটাইতকৈ বেছি খেলুৱৈ আছে। দলটোৱে ১৮টা ইভেণ্টত পদকৰ বাবে নিজৰ প্ৰদৰ্শন আগবঢ়াব। জুনিয়ৰ বিশ্বকাপৰ ২১ বছৰ অনুৰ্ধৰ ৰাইফল, পিষ্টল, শ্বট গান আদি ইভেণ্টসমূহ অহা ২৭ এপ্ৰিললৈ চলিব। বিগত বছৰত নতুন দিল্লী আৰু চুভলত অনুষ্ঠিত জুনিয়ৰ বিশ্বকাপত ভাৰতে ১৭ টা সোণ সহ ৩৭ টা পদক লাভ কৰিছিল।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে চেন্নাই ছুপাৰ কিংছক ১০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৯৪ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ অভিশেক শৰ্মা আৰু হেনৰিক ক্লাছেনে ৫৯ কৈ ৰান কৰে। চেন্নাইৰ অঞ্চুল কম্বোজ আৰু জেমি অ'ভাৰটনে তিনিটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৮৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। হায়দৰাবাদৰ হৈ ঈষান মালিংগাই তিনিটা উইকেট দখল কৰে। মালিংগাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে কালি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। ডেলহি কেপিটেলছে ১৭৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৫ টা বলত চাৰিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, কলকাতা নাইটৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চণ্ডিগড়ত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ